**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date : 13**-08-2024
**Time :** 1800Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***

**:::::::::::::::::::::::::::::::::::::**

ৰাজ্য চৰকাৰে আজি কলাক্ষেত্ৰত আয়োজিত অনুষ্ঠানত লোকনিৰ্মাণ তথা চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগত এহেজাৰ ১২৭ গৰাকী প্ৰাৰ্থীক নিযুক্তি প্ৰদান কৰে। ইয়াৰ লগে লগে ৰাজ্য চৰকাৰে প্ৰতিশ্ৰুতি প্ৰদান কৰা এক লাখ নিযুক্তিৰ ভিতৰত ৯৯ হাজাৰ ৯৭টা নিযুক্তি সম্পূৰ্ণ হয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আনুষ্ঠানিকভাৱে কেইগৰাকীমান প্ৰাৰ্থীক নিযুক্ত পত্ৰ বিতৰণ কৰে। শীঘ্ৰেই এক লাখ নিযুক্তি সম্পূৰ্ণ হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। আৰু মাত্ৰ ৯০৩টা নিযুক্তিৰ পিছতে ৰাজ্য চৰকাৰে প্ৰতিশ্ৰুতি পূৰণৰ দিশত ১০০ শতাংশ সফল হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। লোকনিৰ্মাণ বিভাগত নিযুক্তিপ্ৰাপ্ত অভিযন্তাসকলক উদ্দেশ্য কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, শিক্ষাৰ্থী জীৱনত তেওঁলোকে লাভ কৰা কাৰিকৰী জ্ঞানসমূহ কৰ্মক্ষেত্ৰত কিদৰে প্ৰয়োগ কৰিব, তাৰ প্ৰতি লক্ষ্য ৰখাটো অতিকৈ প্ৰয়োজনীয়। নিযুক্তিপ্ৰাপ্ত অভিযন্তাসকলক নিজ দায়িত্ব নিষ্ঠাৰে পালনৰ লগতে আন্তঃগাঁথনি নিৰ্মাণৰ ক্ষেত্ৰত গুণগত দিশ ৰক্ষাৰ অৰ্থে কৰ্মক্ষেত্ৰত নিৰীক্ষণৰ ব্যৱস্থা বৃদ্ধি কৰিবলৈ তেওঁ আহ্বান জনায়। চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগত প্ৰদান কৰা নিযুক্তিৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, নগাঁও, নলবাৰী, কোকৰাঝাৰ আৰু তিনিচুকীয়াত নতুনকৈ নিৰ্মাণ হোৱা ৪ খন চিকিৎসা মহাবিদ্যালয়ত আজি ৮১২ গৰাকী ষ্টাফ নাৰ্ছ নিযুক্তি দিয়া হয়।

অনুষ্ঠানত মুখ্যমন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণত কয় যে, পাৰস্পৰিক বুজাবুজিৰে তৃতীয় আৰু চতুৰ্থ বৰ্গৰ চাকৰিয়ালৰ বদলিৰ সুবিধাৰ্থে ৰাজ্য চৰকাৰে শীঘ্ৰে প'ৰ্টেল আধাৰিত ব্যৱস্থা আৰম্ভ কৰিব। লগতে মুখ্যমন্ত্ৰী ড০ শৰ্মাই চৰকাৰী চাকৰিয়ালৰ দৰমহাৰ ক্ষেত্ৰত নতুন ব্যৱস্থা গ্ৰহণ কৰিছে বুলি মন্তব্য কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, ৰাজ্য চৰকাৰৰ কোনো এগৰাকী বিবাহিত কৰ্মচাৰীৰ মৃত্যু হ'লে কৰ্মচাৰীগৰাকীৰ অৱশিষ্ট চাকৰি কালৰ দৰমহা প্ৰতিমাহে কৰ্মচাৰীগৰাকীৰ পত্নীক প্ৰদান কৰি আহিছে। বৰ্তমান চৰকাৰে এই ব্যৱস্থাৰ কিছু সালসলনি ঘটাই অনুকম্পামূলক ধনৰাশিৰ ২০ শতাংশ মৃত্যু হোৱা কৰ্মচাৰীগৰাকীৰ পিতৃ-মাতৃক প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে বুলি তেওঁ সদৰি কৰে।

oooooooo

মন্ত্ৰী অতুল বৰাই আজি লখিমপুৰ জিলাৰ অভিভাৱক মন্ত্ৰী হিচাপে জিলাখনৰ বিধায়ক, সাংসদ আৰু জিলা আয়ুক্তৰ লগতে বিভিন্ন বিভাগৰ বিষয়াৰ সৈতে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে আলোচনাত মিলিত হয়। এই বৈঠকত বানত ক্ষতিগ্ৰস্ত পৰিয়ালক পুনৰ সংস্থাপনৰ বাবে অনুদান প্ৰদান কৰাৰ সন্দৰ্ভত আলোচনা কৰা হয়। মন্ত্ৰী শ্ৰী বৰাই বৈঠকত হিতাধিকাৰীৰ তালিকা পুনৰ পৰীক্ষণকে ধৰি আন বিভিন্ন কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে নিৰ্ধাৰণ কৰা সময়সীমাৰ ভিতৰত ক্ষতিগ্ৰস্ত পৰিয়ালক আৰ্থিক সাহায্য প্ৰদান কৰা বিষয়তো বৈঠকত আলোচনা কৰা হয়। ৰাইজৰ সুবিধাৰ বাবে নিৰ্দিষ্ট সময়ৰ ভিতৰত সকলো কাম সম্পূৰ্ণ কৰিবলৈ মন্ত্ৰীগৰাকীয়ে লখিমপুৰ জিলা আয়ুক্তৰ লগতে সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ প্ৰদান কৰে। বৈঠকত মন্ত্ৰীগৰাকীয়ে

হৰ ঘৰ তিৰংগা, মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰশীল অসম অভিযান, অমৃত বৃক্ষ আন্দোলনকে ধৰি ৰূপায়ণ হৈ থকা বিভিন্ন আঁচনিৰ কাম-কাজৰ অগ্ৰগতিৰো মূল্যায়ন কৰে।

০০০০০০০০

দেশৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত স্বাধীনতা দিৱস উদযাপনৰ বাবে ব্যাপক প্ৰস্তুতি চলোৱা পৰিলক্ষিত হৈছে। গুৱাহাটীৰ খানাপাৰাত পৰহিলৈ হ'বলগীয়া স্বাধীনতা দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচীৰ বাবে কামৰূপ মহানগৰ জিলা প্ৰশাসনে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত আৰক্ষী বেটেলিয়ন, অৰ্ধসামৰিক বাহিনী আৰু এন চি চিৰ দলসমূহে পেৰেডৰ অনুশীলন চলাই আছে। ৰাজ্যৰ কেইটামান উগ্ৰপন্থী সংগঠনে স্বাধীনতা দিৱস বৰ্জনৰ বাবে জনোৱা আহ্বানৰ পৰিপ্ৰেক্ষিতত গুৱাহাটী মহানগৰত প্ৰশাসনে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তুলিছে। ৰে'ল সুৰক্ষা বাহিনীৰ ৰে'ল ষ্টেচনত স্নিফাৰ ডগৰ সহায়ত সুৰক্ষা ব্যৱস্থাৰ তদাৰক কৰি আছে। ৰে'ল লাইন আৰু অন্যান্য স্থানত তালাচী অব্যাহত আছে। ইপিনে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই খানাপাৰাৰ কেন্দ্ৰীয় কাৰ্যসূচীত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰাৰ বিপৰীতে মন্ত্ৰী আৰু বিধায়কসকলে বিভিন্ন জিলাত অনুষ্ঠিত স্বাধীনতা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব।

স্বাধীনতা দিৱসৰ উপলক্ষ্যত অসম খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডে ছহেজাৰ পতাকা প্ৰস্তুত কৰি উলিয়াইছে। মহানগৰৰ বিভিন্ন বিপনীত তিনি বৰণীয়া জাতীয় পতাকা উভৈনদী হৈ পৰা দেখা গৈছে। গুৱাহাটী উচ্চ ন্যায়ালয়তো ৭৮ সংখ্যক স্বাধীনতা দিৱস উদযাপনৰ প্ৰস্তুতি চলোৱা হৈছে। সেই অনুসৰি ১৫ আগষ্টৰ পুৱা ৮ বজাত মুখ্য ন্যায়াধীশ বিজয় বিষ্ণয়ে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব।

ইপিনে ৰাজ্যৰ বিভিন্ন জিলাতো চৰকাৰী-বেচৰকাৰীভাৱে স্বাধীনতা দিৱস উদযাপনৰ প্ৰস্তুতি চলিছে।

০০০০০০০০

পেৰিছ অলিম্পিকত অংশগ্ৰহণ কৰি অসমলৈ উভতি অহা বক্সাৰ লাভলীনা বৰগোহাঁইক আজি গুৱাহাটীত সম্বৰ্ধনা জনোৱা হয়। অসম এমেচাৰ বক্সিং এছ'চিয়েচনৰ উদ্যোগত আয়োজিত সম্বৰ্ধনা অনুষ্ঠানত লাভলীনাই পেৰিছ অলিম্পিকৰ অভিজ্ঞতাৰ বিষয়ে বৰ্ণনা কৰে। উল্লেখযোগ্য যে পেৰিছ অলিম্পিকৰ মহিলা বক্সিঙৰ ৭৫ কেজি ওজন শাখাৰ কোৱাৰ্টাৰ ফাইনেলত লাভলীনা পৰাজিত হৈছে। চীনৰ লী কিয়ানৰ বিৰুদ্ধে পৰাস্ত হৈ পদকৰ পৰা বঞ্চিত হোৱাত কিছু হতাশ হোৱা বুলি খেলুৱৈগৰাকীয়ে উল্লেখ কৰে। অৱশ্যে ভুলৰ পৰা শিক্ষা লৈ বক্সিং ৰিঙত পুনৰ দুৰ্দান্ত প্ৰদৰ্শন কৰিব বুলি লাভলীনাই দৃঢ়তা প্ৰকাশ কৰে। লাভলীনাই ২০২০ চনৰ টকিঅ' অলিম্পিকত ব্ৰঞ্জৰ পদক অৰ্জন কৰিছিল।

০০০০০০০০

মন্ত্ৰী কেশৱ মহন্তই আজি কলিয়াবৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত কেইবাখন বিদ্যালয়ৰ ছাত্ৰীৰ মাজত নিযুত মইনা আঁচনিৰ প্ৰ-পত্ৰ বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। সমষ্টিটোৰ অন্তৰ্গত কুঠৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ২৬ গৰাকী ছাত্ৰী, জখলাবন্ধা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৬০ গৰাকী, কলিয়াবৰ বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ১৮০ গৰাকী, কুঁৱৰীটোল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৫১ গৰাকী আৰু বৰভগীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ২৪ গৰাকী ছাত্ৰীৰ মাজত এই আঁচনিৰ প্ৰ-পত্ৰ বিতৰণ কৰা হয়। এই আঁচনিৰ অধীনত একাদশ শ্ৰেণীৰ ছাত্ৰীলৈ প্ৰতিমাহে এহেজাৰ টকাকৈ, স্নাতক পৰ্যায়ৰ ছাত্ৰীলৈ এহেজাৰ ২৫০ টকা, স্নাতকোত্তৰ আৰু বিএড পাঠ্যক্ৰমৰ ছাত্ৰীলৈ প্ৰতিমাহে ২ হাজাৰ ৫০০ টকাকৈ আগবঢ়োৱা হ'ব।

০০০০০০০০